**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 19-11-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। অহা বছৰৰ ফেব্ৰুৱাৰীত ৰাজ্যত পঞ্চায়ত নিৰ্বাচন। ১০ ফেব্ৰুৱাৰীৰ ভিতৰত নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ অসম মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত।

২। গুৱাহাটী আই আই টিত অনুষ্ঠিত 'আমাৰ সংবিধান আমাৰ সন্মান' শীৰ্ষক অনুষ্ঠানত কেন্দ্ৰীয় আইন আৰু ন্যায় দপ্তৰৰ ৰাজ্য মন্ত্ৰী অৰ্জুন মেঘৱালৰ অংশগ্ৰহণ।

৩। কাইলৈ পুৱা ৭ বজাৰ পৰা ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ।

৪। শাৰদীয় দুৰ্গোৎসৱৰ সময়ছোৱাত স্বচ্ছতা বজাই ৰখা মহানগৰীৰ ১৭৫ খন পূজা সমিতিক গুৱাহাটী পৌৰ নিগমৰ পুৰস্কাৰ প্ৰদান।

আৰু

৫। চৰাইদেউ মৈদামথলীত বিস্তৃত কাৰ্যসূচীৰে বিশ্ব ঐতিহ্য সপ্তাহ-২০২৪ আৰম্ভ।

০০০০০০০

ৰাজ্যত অহা বছৰৰ ফেব্ৰুৱাৰীত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। আজি বিয়লি দিছপুৰত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰে। তেওঁ কয়, যে বৰ্তমান ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচনৰ খচৰা ভোটাৰ তালিকা প্ৰস্তুতিৰ কাম চলি আছে আৰু ৩০ ডিচেম্বৰৰ ভিতৰত ভোটাৰ তালিকা প্ৰকাশ পালে ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচন দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া ১০ ফেব্ৰুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে।

-ভইচ-

দিছপুৰত আজি আয়োজিত সংবাদমেলত মুখ্যমন্ত্ৰীয়ে ৰাজ্য মন্ত্ৰীসভাই গ্ৰহণ কৰা কেইটামান সিদ্ধান্তৰ বিষয়ে ঘোষণা কৰি কয়, যে বৰাক উপত্যকাৰ কৰিমগঞ্জ জিলাৰ নাম শ্ৰীভূমি জিলালৈ পৰিৱৰ্তন কৰা হ'ব। ৰাজ্যখনলৈ দেশ-বিদেশৰ পৰা অধিক পুঁজি বিনিয়োগক আকৰ্ষিত কৰা আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত অসম বিনিয়োগ আৰু আন্তঃগাঁথনি মেলাৰ আয়োজন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই বিনিয়োগ মেলালৈ আমন্ত্ৰণ জনোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০

চৰকাৰে সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে ২৪ নবেম্বৰত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে শীতকালীন অধিৱেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াত সকলো ৰাজনৈতিক দলৰ সহায়-সহযোগিতা কামনা কৰিব। সংসদৰ শীতকালীন অধিৱেশন ২৫ নৱেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব।

০০০০০০০

কেন্দ্ৰীয় অনুসন্ধান সংস্থা তথা চি বি আইৰ বিশেষ আদালতে আজি ট্ৰেডিং কেলেংকাৰিৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ছুমি বৰাৰ জামিন নাকচ কৰিছে। দীৰ্ঘদিন ধৰি শুনানিৰ অন্তত আদালতে ছুমি বৰাক জামিন দিবলৈ অস্বীকাৰ কৰে। আনহাতে ট্ৰেডিং কাণ্ডৰ গোচৰৰ মূল অভিযুক্ত বিশাল ফুকনৰ জামিন আবেদন বৰ্তমানো গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে।

০০০০০০

আইন আৰু ন্যায় ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে বছৰজোৰা হামাৰা সংবিধান হামাৰা সন্মান কাৰ্যসূচীত অংশগ্ৰহণ কৰি সংবিধানত থকা আমাৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সজাগতা বৃদ্ধি কৰাই এই কাৰ্যসূচীৰ মূল উদ্দেশ্য বুলি মত প্ৰকাশ কৰিছে। আজি ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান গুৱাহাটীত অনুষ্ঠিত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি নতুন প্ৰজন্মৰ অধিকাংশ যুৱক-যুৱতীয়ে আমাৰ সংবিধান প্ৰণেতাসকলৰ বিষয়ে অজ্ঞ হৈ আছে বুলি দুখ প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আমাৰ মৌলিক দায়িত্ব আৰু মৌলিক কৰ্তব্যৰ মাজত পৰস্পৰ সম্পৰ্ক আছে বুলি উল্লেখ কৰি কয়, যে আমি সকলোৱে জাতিৰ প্ৰতি থকা কৰ্তব্য পালন কৰা উচিত। সকলোৱে সাংবিধানিক অধিকাৰক তেতিয়াহে ন্যায্যতা দিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। সংবিধানৰ খচৰা প্ৰস্তুত কৰা সকলৰ ভিতৰত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলকে প্ৰতিনিধিত্ব কৰা ছৈয়দ মহম্মদ ছাদুল্লাৰ বিষয়েও আমি অৱগত নহয় বুলি তেওঁ কয়। সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষে সংবিধান সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা সংবিধান সভাৰ ১৫ গৰাকী মহিলা সদস্যৰ সন্মানত আজি গছপুলি ৰোপণ কৰা হয়।

oooooo

বাক্সা আৰু তামুলপুৰ জিলাৰ সীমান্তৱৰ্তী জাৰতালুক অঞ্চলত বিচৰণ কৰি ফুৰা এটা হাতীৰ জাকৰ দলপতি মখনাটোৰ গাত বন বিভাগে ৰেডিঅ' কলাৰ স্থাপন কৰিছে। বাক্সাৰ বন সংমণ্ডল বিষয়া কুশল কুমাৰ শৰ্মা আৰু মানস ব্যাঘ্ৰ প্ৰকল্পৰ পশু চিকিৎসা বিষয়া বিজয় চৌধুৰীয়ে অপাৰেচন ৰেডিঅ' কলাৰিং প্ৰকল্পৰ অধীনত কালি এই কাম সফলতাৰে সম্পন্ন কৰে। ইয়াৰ ফলত জিলা প্ৰশাসন আৰু বন বিভাগে হাতীৰ জাকৰ গতি-বিধি উপগ্ৰহৰ জৰিয়তে নিৰীক্ষণ কৰাৰ লগতে জনাঞ্চলত হাতীৰ উপস্থিতিৰ বিষয়েও আগতীয়াকৈ জানিব পাৰিব। উল্লেখযোগ্য যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যুটীয়া উদ্যোগত ৰূপায়ণ কৰি থকা এই ৰেডিঅ' কলাৰিং প্ৰকল্পৰ সৈতে বন বিভাগৰ লগতে বাক্সা, তামুলপুৰ আৰু নলবাৰী জিলা প্ৰশাসন জড়িত হৈ আছে। কেইবালাখ টকা ব্যয়সাপেক্ষ এই প্ৰকল্পৰ পুঁজি যোগানৰ বাবে যোৱা ১৪ নৱেম্বৰত তামুলপুৰৰ জিলা প্ৰশাসনৰ সৈতে আই আই টি, গুৱাহাটীৰ বিশেষজ্ঞৰ মাজত অনুষ্ঠিত বৈঠকত কম খৰচী আৰু থলুৱাভাৱে ৰেডিঅ'কলাৰ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। উল্লেখযোগ্য যে এই বছৰ কুমাৰীকাটা বনাঞ্চলত ৪ গৰাকী লোকৰ হাতীৰ আক্ৰমণত প্ৰাণহানি হৈছিল।

ooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত অহা ১৬ নৱেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত **৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ** সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকিব বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ আৰু বিতুপন বৰবৰা। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

ooooooo

মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মহাৰাষ্ট্ৰৰ ২৮৮টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰ লগতে নাণ্ডেড় লোকসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। পাঞ্জাব, উত্তৰ প্ৰদেশ, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবেও কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মহাৰাষ্ট্ৰত মুঠ ৪ হাজাৰ ১৩৬ গৰাকী প্ৰতিদ্বন্দ্বী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ২ হাজাৰ ৮৬ গৰাকী নিৰ্দলীয় প্ৰাৰ্থী আছে। বিজেপিয়ে ১৪৯টা সমষ্টিত, একনাথ সিন্দে পন্থী শিৱসেনাই ৮১টা সমষ্টিত আৰু অজিত পাৱাৰ নেতৃত্বাধীন এন চি পিয়ে ৫৯টা সমষ্টিত প্ৰাৰ্থী দিছে। আনহাতে কংগ্ৰেছে ১০১টা সমষ্টিত, উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনাই ৯৫টা সমষ্টিত আৰু শাৰদ পাৱাৰ নেতৃত্বাধীন এন চি পিয়ে ৮৬টা সমষ্টিত প্ৰাৰ্থী ঠিয় কৰাইছে। বহুজন সমাজ পাৰ্টিৰ ২৩৭ গৰাকী আৰু এ আই এম আই এমৰ ১৭ জন প্ৰাৰ্থীৰ ভাগ্যও কাইলৈৰ ভোটগ্ৰহণত নিশ্চিত হ'ব। মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত কাইলৈ ভোটদানৰ হাৰ পূৰ্বৰ তুলনাত উন্নত হ'ব নে নাই সেই বিষয়ে ৰাজনৈতিক মহলত চিন্তা-চৰ্চা চলিছে।

oooooo

গুৱাহাটী পৌৰ নিগমে আজি শাৰদীয় দুৰ্গোৎসৱৰ সময়ছোৱাত স্বচ্ছতা বজাই ৰখা মহানগৰীৰ ১৭৫ খন পূজা সমিতিক পুৰস্কৃত কৰে। আজি গুৱাহাটীৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই এই পুৰস্কাৰসমূহ বিতৰণ কৰে। এই প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা ২৫ খন পূজা সমিতিক ১০ হাজাৰ টকাৰ চেক, দ্বিতীয় পুৰস্কাৰ হিচাপে ২৫ খন পূজা সমিতিক ৭ হাজাৰ টকাকৈ আৰু তৃতীয় পুৰস্কাৰপ্ৰাপ্ত ১০০ খন পূজা সমিতিক ৫ হাজাৰ টকাৰ লগতে মানপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত নিগমৰ ভালেকেইগৰাকী প্ৰশাসনিক বিষয়াইও অংশ লয়।

oooooo

কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত দেশজুৰি যোৱা ২৫ অক্টোবৰৰ পৰা পশুধন পিয়ল কাৰ্যসূচী অব্যাহত আছে। এই পশুধন পিয়লত দেশৰ ঘৰচীয়া জীৱ-জন্তুৰ ভিতৰত অৰ্থনৈতিকভাৱে গুৰুত্ব থকা মুঠ ১৬ বিধ জীৱৰ ২১৯টা থলুৱা আৰু বৰ্ণসংকৰ জাতৰ পিয়ল কৰা হ'ব। দেশৰ অন্যান্য প্ৰান্তৰ লগতে যোৰহাট জিলাৰ ৬০৫ খন ৰাজহ চক্ৰৰ ৩২টা ৱাৰ্ড সামৰি পশুধন পিয়লৰ কাম পূৰ্ণগতিত চলি আছে। জিলাখনৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে নিয়োগ কৰা ২৪ জন পৰ্যবেক্ষক বিষয়া আৰু তেওঁলোকৰ অধীনৰ ১২৮ জন গণনাকাৰীয়ে ঘৰে ঘৰে গৈ পশুধন আৰু পশুপালন সম্পৰ্কীয় যাৱতীয় তথ্য সংগ্ৰহ কৰিছে। এই পিয়ল সন্দৰ্ভত ওজৰ-আপত্তি থাকিলে ৰাইজে জিলা প্ৰশাসনক অৱগত কৰিব পাৰিব। উল্লেখযোগ্য যে পশুধনৰ ৰোগ নিয়ন্ত্ৰণ জীৱন জীৱিকাৰ বাবে আঁচনি প্ৰস্তুত কৰাৰ লক্ষ্যৰে প্ৰতি ৫ বছৰৰ মূৰে মূৰে পশুধন পিয়ল কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে।

oooooo

কোকৰাঝাৰৰ বিধায়ক লৰেঞ্চ ইছলাৰীয়ে আজি কোকৰাঝাৰ নগৰৰ পাথৰঘাটত এটা জনজাতি জিৰণি গৃহৰ আধাৰশিলা স্থাপন কৰে। এই গৃহৰ নিৰ্মাণ ব্যয় ২ কোটি টকা হ'ব বুলি ধাৰ্য কৰা হৈছে। জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ পুঁজিৰে এই জিৰণি গৃহ নিৰ্মাণ কৰা হ'ব।

ooooooo

কৰিমগঞ্জৰ আকবৰপুৰত আজি জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত নাৰিকল খেতিৰ বৈজ্ঞানিক প্ৰযুক্তি সম্পৰ্কীয় এখন এদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা নাৰিকল খেতিয়কসকলক কৰিমগঞ্জ কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বীয়ে নাৰিকলৰ ব্যৱহাৰ, ইয়াৰ গুণ, নাৰিকল খেতিৰ ক্ষেত্ৰ বৃদ্ধি আদি ভালেমান পৰামৰ্শ আগবঢ়ায়। বিজ্ঞানসন্মত নাৰিকল খেতিৰ প্ৰতি সচেতন হ'বলৈও তেওঁ আহ্বান জনায়।

ooooooo

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত কাইলৈ ১২ খন জিলাৰ ৩৮টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। কাইলৈ নিৰ্বাচনী ভাগ্য নিৰূপণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত বাৰহাইট সমষ্টিত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেন, ধানৱাৰ সমষ্টিত প্ৰদেশ বিজেপিৰ মুৰব্বী বাবুলাল মাৰাণ্ডি, গাণ্ডে সমষ্টিত ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ পত্নী কল্পনা চোৰেন, ডুমকা সমষ্টিত মুখ্যমন্ত্ৰীৰ ভাতৃ বসন্ত চোৰেনো আছে। কাইলৈৰ ভোটগ্ৰহণৰ জৰিয়তে ৫২৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। ১২ খন জিলাৰ ১৪ হাজাৰ ২১৮টা ভোটগ্ৰহণ কেন্দ্ৰত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ ৬০০ কোম্পানী মোতায়েন কৰা হৈছে।

oooooo

চৰাইদেউ জিলাত অহা ১ ডিচেম্বৰৰ পৰা ধান ক্ৰয় কেন্দ্ৰৰ জৰিয়তে ধান আহৰণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। সোণাৰীৰ পথালগড়ৰ ধান ক্ৰয় কেন্দ্ৰৰ জৰিয়তে এহেজাৰ মেট্ৰিক টন ধান আৰু সাপেখাটিৰ খণ্ড উন্নয়ন কাৰ্যালয়ৰ প্ৰাংগণত থকা ধান ক্ৰয় কেন্দ্ৰৰ জৰিয়তে ৫০০ মেট্ৰিক টন ধান ক্ৰয়ৰ লক্ষ্য স্থিৰ কৰিছে। ধান ক্ৰয় কেন্দ্ৰটোৰ জৰিয়তে নিৰ্ধাৰিত ধান ক্ৰয়ৰ লক্ষ্যত উপনীত হোৱাৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপ সন্দৰ্ভত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত সহকাৰী আয়ুক্তৰ লগতে খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ কৃষি আৰু সমবায় সমিতিসমূহৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। এই বৈঠকত চলিত বিত্তীয় বৰ্ষৰ ধান ক্ৰয় ব্যৱস্থাপনা সুচাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰিবলগীয়া প্ৰস্তুতি সম্পৰ্কে পুংখানুপুংখভাৱে আলোচনা কৰা হয়।

০০০০০০

চৰাইদেউ মৈদামথলীত আজি বিস্তৃত কাৰ্যসূচীৰে বিশ্ব ঐতিহ্য সপ্তাহ-২০২৪ আৰম্ভ হৈছে। অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ দ্বাৰা স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতিৰ সহযোগত অনুষ্ঠিত কাৰ্যসূচী অনুসৰি আজি পুৱা বালি মৈদামৰ পৰা চৰাইদেউ মৈদাম বিশ্ব ঐতিহ্যক্ষেত্ৰলৈ এটা ঐতিহ্য যাত্ৰা উলিওৱা হয়। স্থানীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ইয়াত অংশগ্ৰহণ কৰে। মূল অনুষ্ঠানত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ সব্যসাচী মহন্তই নিৰ্দিষ্ট বক্তা হিচাপে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই সম্পৰ্কে এয়া আমাৰ চৰাইদেউৰ সংবাদদাতা নবুল কোঁৱৰ-

বাইট

০০০০০০০

বঙাইগাঁও জিলা স্বাস্থ্য সমিতিয়ে কাইলৈ জিলাখনত কুষ্ঠ ৰোগ চিনাক্ত অভিযান আৰম্ভ কৰিব। জিলাখনৰ আশাকৰ্মীসকলে কাইলৈৰ পৰা অহা ৩ ডিচেম্বৰলৈ নিজ নিজ এলেকাৰ লোকৰ ঘৰে ঘৰে গৈ কুষ্ঠ ৰোগী চিনাক্ত কৰি তেওঁলোকক উপযুক্ত বিনামূলীয়া চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰিব। জিলাখনৰ কুষ্ঠ ৰোগ চিনাক্ত অভিযানৰ ন'ডেল বিষয়া ডাঃ প্ৰণৱ কুমাৰ ৰায়ে আজি এই সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰি এই কথা প্ৰকাশ কৰে।

০০০০০০

বীৰ ৰাঘৱ মৰাণৰ ২৮৯ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্য চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৃষ্ঠপোষকতাত তিনিচুকীয়া জিলাৰ কাকজানত দুদিনীয়া কাৰ্যসূচীৰে ৰাঘৱ মৰাণ দিৱস উদযাপন কৰা হৈছে। জিলাখনৰ আয়ুক্ত স্বপ্ননীল পালে কাকজানৰ ৰজা বডোচা সমন্বয় ক্ষেত্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মৰাণ বীৰগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে তেওঁ মৰাণ সংগঠনৰ নেতৃবৃন্দ আৰু ৰাইজৰ সৈতেও মত বিনিময় কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আজি চিত্ৰাংকন, কবিতা আবৃত্তি, বিহুগীত, কুইজ, তৰ্ক, বিয়ানাম আদি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। কাইলৈ হ'বলগীয়া মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ কথা।

ইপিনে, তিনিচুকীয়া জিলাৰ কৰ্দৈগুৰি ডাইচাতো এই দিৱস আজি বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হয়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত আয়োজিত এই দিৱসত পুৱা পতাকা উত্তোলন আৰু সতীৰ্থ স্মৰণ অনুষ্ঠান অনুষ্ঠিত হয়। বীৰ ৰাঘৱ মৰাণৰ স্মৃতিত ২৮৯ গচি বন্তিও প্ৰজ্বলন কৰা হয়। দিনৰ ভাগত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগতে মুকলি সভা অনুষ্ঠিত হয়।

০০০০০০০

যোৰহাট জিলা আৰক্ষীৰ উদ্যোগত চলিত শিশু সপ্তাহ উদযাপনৰ অংশ হিচাপে আজি যোৰহাট আৰু তিতাবৰত শিশু-কন্যাসকলৰ সৈতে অন্তৰংগ আলোচনা অনুষ্ঠিত হয়। এই অনুষ্ঠানত শিশুৰ কল্যাণ আৰু সুৰক্ষা সম্পৰ্কীয় আইনসমূহৰ সন্দৰ্ভত পুংখানুপুংখভাৱে আলোচনা কৰা হয়। ইয়াৰ লগতে আলোচনাত অংশ লোৱা সমল ব্যক্তিসকলে বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলে সোধা বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে।

মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আজি জেংৰাই গাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত এখন আইন সজাগতা সভা অনুষ্ঠিত হয়। সভাত বাল্যবিবাহ প্ৰতিৰোধী আইন, শিশু যৌন নিৰ্যাতন সুৰক্ষা আইন, শিশু শ্ৰমিক প্ৰতিৰোধী আইন সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰা হয়।

০০০০০০

দক্ষিণ শালমাৰা-মানকাচৰ জিলা আৰু ছেচন আদালতে ২০২১ চনত সংঘটিত দুজন যুৱকৰ হত্যাকাণ্ডৰ গোচৰত ১৪ জন লোকক দোষী সাব্যস্ত কৰিছে। ন্যায়াধীশ সঞ্জয় হাজৰিকাই আজি দিয়া এই ৰায়যোগে ২০২১ চনৰ ১৩ মে'ত সংঘটিত পিতা আৰু পুত্ৰৰ এই হত্যাকাণ্ড সন্দৰ্ভত ১৪ জন অভিযুক্তক দোষী সাব্যস্ত কৰে আৰু শাস্তি ঘোষণা ২১ নৱেম্বৰলৈ স্থগিত ৰাখে।

০০০০০০০

লখিমপুৰত মথাউৰি পথৰ ওপৰেৰে গধুৰ যান-বাহন চলাচলৰ পৰিপ্ৰেক্ষিতত মথাউৰিসমূহ দুৰ্বল হোৱাৰ আশংকা কৰি জিলা প্ৰশাসনে কেইবাটাও নিষেধাজ্ঞা আৰোপ কৰিছে। জিলা দণ্ডাধীশ লাচিত কুমাৰ দাসে নিৰ্দেশনাৰ জৰিয়তে মথাউৰিসমূহৰ ওপৰত বাণিজ্যিক বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰে। অৱশ্যে ব্যক্তিগত বাহন, যাত্ৰীবাহী বাছ আদি চলাচলৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি তাৎক্ষণিকভাৱে এই নিৰ্দেশনা কাৰ্যকৰী কৰিবলৈ জিলা প্ৰশাসনে নিৰ্দেশ দিছে। এই আদেশ উলংঘা কৰিলে আইন অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

oooooo

**সমাপ্ত**